অঞ্চল পুনৰুদ্ধাৰো কৰিব পৰা যাব। বৈজ্ঞানিকসকলে এই ক্ষেত্ৰত কেইটামান উপায় দিছে। যেনে ঃ

(১) মৰুভূমি আৰু শুকান ঠাইৰ যিবোৰ অঞ্চল চৰণীয়া পথাৰ আৰু কৃষিৰ উপযোগী আৰু যিবোৰ অঞ্চল অনুপযোগী সেইবোৰ অঞ্চল আবিষ্কাৰ কৰি লোৱা উচিত।

(২) পোহনীয়া তৃণভোজী জন্তুৰ সংখ্যা সীমিত কৰি লোৱা উচিত। তৃণভোজী ছাগলীক এনে কিছু অঞ্চলৰ ভিতৰত আৱদ্ধ কৰি ৰাখিব লাগে যাতে সিহঁতে উদ্ভিদ জগতৰ অতি কম ক্ষতি সাধন কৰিব পাৰে।

(৩) কৃষি অঞ্চলবোৰত শস্যৰ আৱৰ্ত্তন প্ৰথা প্ৰয়োগ কৰিব লাগে। পতিত সাৰুৱা মাটিবোৰ আকৌ বহু বছৰলৈ পতিত কৰি ৰাখিব লাগে। বৰ্ষা কালতো শস্য ৰোপণ সীমিত কৰিব লাগে যাতে খৰাং বতৰতো বহু অঞ্চলৰ মাটি সেমেকা হৈ থাকে।

(৪) উলঙ্গ হৈ পৰা পৰ্বত-পাহাৰবোৰত উদ্ভিদ ৰোপণ কৰি পুনৰ অৰণ্যৰ সৃষ্টি কৰা উচিত। সেইদৰে বালিচহীয়া আৰু সমভূমি অঞ্চলতো গছ আৰু জোপোহা বন ৰোপণ কৰিব লাগে, যাতে গছৰ বাঢ়ি অহা শিপাই মাটিৰ খাৰুৱা অংশ ধৰি ৰাখিবলৈ সক্ষম হয়।

(৫) গছ কাটি খৰি ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে নতুনকৈ আবিষ্কৃত সৌৰ ৰন্ধন চৌকা আৰু ইন্ধন্ হিচাবে কৃত্ৰিম গ্যাচ, প্ৰপেন আদিৰ বহুল প্ৰয়োগ কৰিব লাগে।

(৬) পৰ্বত পাহাৰৰ অলাগতিয়াল আৰু অখাদ্য ঘাঁহ-বনবোৰ পৰিষ্কাৰ কৰি তাৰ ঠাইত লাগতিয়াল আৰু জীৱজন্তুৰ খাদ্যৰ উপযোগী বাঁহবন ৰোপণ কৰিব লাগে।

(৭) জলসিঞ্চন ব্যৱস্থাৰ পুনৰ সংস্কাৰ কৰিব লাগে যাতে কৃষিৰ আৱশ্যকীয় পানীৰহে যোগানৰ ব্যৱস্থা থাকে। 'জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা কৃষি পথাৰবোৰৰ অনিষ্ট সাধন হৈছে'—যেতিয়ালৈকে এই ধাৰণাটোৰ যথাৰ্থতা সম্পৰ্কে উপযুক্ত অধ্যয়ন বা পৰীক্ষা নিৰীক্ষা নহয়, তেতিয়ালৈকে নতুন বান্ধ বা জলসিঞ্চন ব্যৱস্থাৰ কাম হাতত নোলোৱাই যগুত।

যিবোৰ ঠাইত এই উপায় কেইটা অৱলম্বন কৰা হৈছে সেইবোৰ ঠাইত আজি যথেষ্ট সুফল পোৱা গৈছে। উদাহৰণ স্বৰূপে, ইজৰাইল, নিগেভ আদি ঠাইত বহু হেক্টৰ বিনষ্ট হোৱা মাটি পুনৰ শস্য শ্যামলা কৰাটো সম্ভৱ হৈছে। অধ্যাপক মাইকেল ইভানেৰিৰ ভাষাত 'We work with the desert instead of against it.' ভাৰতৰ মৰুভূমি আৰু শুকান অংশৰ প্ৰায় ২৪টা পৰীক্ষণ অঞ্চলত শস্যৰ উৎপাদন দুগুণ, আনকি কোনো কোনো ঠাইত তিনিগুণ বৃদ্ধি কৰাটো সম্ভৱ হৈছে। চীন দেশৰ ইতিহাস প্ৰসিদ্ধ বৃহৎ প্ৰাচীৰৰ ওচৰত অৱস্থিত চান মৰুভূমিৰ প্ৰায় ২০০ বিলুপ্ত হ্ৰদ অঞ্চলক আজি পুনৰ শস্য শ্যামলা কৰা হৈছে। একে ধৰণে উপযুক্ত ব্যৱস্থা আৰু কাৰিকৰী দক্ষতাৰে বৃহৎ চাহাৰা মৰুভূমিৰ কমেও ৫ লক্ষ বৰ্গ কিলোমিটাৰ অঞ্চলক শস্য শ্যামলা কৃষিভূমিলৈ ৰূপান্তৰিত কৰা সম্ভৱ হব।

যদিও এই উপায় আৰু পদ্ধতিবোৰৰ কথা কওঁতে বৰ সহজ, আৰ্থিক ক্ষেত্ৰত আৰু কাৰিকৰী দিশত অনুন্নত তৃতীয় বিশ্বৰ দেশ সমূহৰ কাৰণে ইয়াৰ কাৰ্যকাৰিতা বহুক্ষেত্ৰত সম্ভৱ নহয়। কাৰণ, এই দুখীয়া দেশ সমূহৰ ধনৰ ভঁৰাল নিঃশেষ হয় বিমান পৰিবহন, পথ পৰিবহন আৰু নানা প্ৰকাৰ শিল্প স্থাপনত আৰু সেইবোৰৰ উন্নতিৰ কাৰণে। ইয়াৰ লগতে আন কেবাটা কাৰণো দৰ্শাব পাৰি ; যেনে—জনসাধাৰণৰ অজ্ঞতা, সমাজ ব্যৱস্থা আৰু দৰিদ্ৰতা। যদি এনেকুৱা দেশবোৰত মৰুভূমিৰ প্ৰসাৰতাক বাধা দিব লগীয়া হয়, তেনেহলে সেইবোৰ দেশত উপযুক্ত শিক্ষা শিবিৰ পাতিব লাগিব আৰু লগতে যথেষ্ট আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰিব লাগিব।

ইং ১৯৭৭ চনৰ আগষ্ট আৰু চেপ্তেম্বৰ মাহত কেনিয়াৰ নাইৰোবিত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত মৰুভূমিৰ ওপৰত হোৱা সন্মিলনত ৯৫ খন ৰাষ্ট্ৰৰ ৫০০ জন প্ৰতিনিধিয়ে যোগদান কৰিছিল। তেওঁলোকে ইং ২০০০ চনৰ ভিতৰতেই মৰুভূমিক প্ৰতিৰোধ কৰিব পাৰিব বুলি সিদ্ধান্তত উপনীত হৈছিল। প্ৰতিনিধি সকলে এই সন্দৰ্ভত ২৮ টা মত পোষণ কৰিছিল আৰু সেই কেইটা উপায়েৰে প্ৰত্যেক ৰাষ্ট্ৰই নিজস্ব সম্পদ আৰু আন্তৰ্জাতিক সংস্থা সমূহৰ আৰ্থিক সাহায্যৰ বলত মৰুভূমিক প্ৰতিৰোধ কৰিবলৈ সক্ষম হব বুলি ঘোষণা কৰিছিল।

এই ক্ষেত্ৰত ছয়টা আন্তৰাষ্ট্ৰীয় প্ৰকল্পক অগ্ৰাধিকাৰ দিয়া হৈছিল। ইয়াৰ দুটাই কাৰ্যকৰী ব্যৱস্থা লব দক্ষিণ পশ্চিম এচিয়াৰ চাৰিখন ৰাষ্ট্ৰক সাঙুৰি লৈ আৰু বাকী চাৰিটা প্ৰকল্পই চেটেলাইট্‌ মনিটৰিং পদ্ধতিৰ দ্বাৰা দক্ষিণ আমেৰিকাত পৰীক্ষা-নিৰীক্ষা চলাব। আনহাতে, ১২ খন আৰৱ ৰাজ্যই মিলি ভূগৰ্ভস্থ জলভাগৰ সহায়ত মৰুভূমিক প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা হাতত লৈছে। সৰ্বশেষ প্ৰকল্পটোৱে ৭ খন চাহেলিয়ান ৰাজ্যত উন্নত পশু পালনৰ পাম স্থাপনৰ উপযুক্ত ব্যৱস্থাৰ দায়িত্ব লৈছে। সন্মিলনৰ সাধাৰণ সম্পাদক মোস্তাফা তোলবাই এই প্ৰকল্প কেইটাৰ কৃতিত্বত সন্তুষ্ট হৈ এইদৰে কৈছিল : "It may lack the drama and colour of airlifting emergency foodstuffs to stricken communities, but in the long run it is far more important to human welfare."

সৰ্বগ্ৰাসী মৰুভূমিক প্ৰতিৰোধ কৰাৰ কল্প- প্ৰসূতা আমি ইমান সোনকালে আশা কৰিব নোৱাৰোঁ। এই কৰালগ্ৰাসী মৰুভূমিক আমি যেতিয়ালৈকে প্ৰতিৰোধ কৰিব নোৱাৰেঁ! তেতিয়ালৈকে বিশ্বজুৰি হোৱা আমাৰ খাদ্য শস্যৰ নাটনিৰ সমস্যাটোক সমাধান কৰিব নোৱাৰেঁ। এই সন্দৰ্ভত UNFAO (ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা) ৰ প্ৰাক্তন ডিৰেক্টৰ জেনেৰেল ডঃ এডিক বমাই এযাব সাৱধান বাণী শুনাইছিল : Unless we can stop the remorseless invasion of productive land by desert, the problems of world food production during this century will be dwarfed into insignificance by those we will face in the future.'

বিঃ দ্ৰঃ—ৰোনাল্ড স্কিনাৰৰ "ডেজাৰ্ট অন দ্যা মাৰ্চ" নামৰ প্ৰবন্ধৰ সহায় লৈ লিখা।

## প্ৰবন্ধ

# শঙ্কৰদেৱৰ ৰচনাত হাস্যৰস

শ্ৰীলক্ষ্মী দাস
২য় বাৰ্ষিক স্নাতক

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাত হাস্যৰস ক'ত আৰু কেনে ধৰণে প্ৰকাশ পাইছে তাক আলোচনা বা বিচাৰ কৰিবলৈ যাওঁতে আমি তেখেতৰ বিভিন্ন কাব্য, নাট, উপাখ্যান আদি চালি জাৰি চাব লগীয়া হয়। মহাপুৰুষৰ মূল উদ্দেশ্য আছিল ভক্তি ধৰ্মৰ মাহাত্ম্য প্ৰচাৰ কৰা আৰু সেই মহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে সৃষ্টি কৰিছিল নাট, কাব্য, উপাখ্যান আদি বিভিন্ন শ্ৰেণীৰ সাহিত্য। এই সাহিত্য সমূহ আমি চালি জাৰি চালে তেখেতৰ কিছুমান ৰচনাত সাহিত্যৰ শৃঙ্গাৰ, কৰুণ বীৰ, ভক্তি আদি বিভিন্ন ৰসৰ লগতে হাস্যৰসৰ সুন্দৰ প্ৰকাশো দেখিবলৈ পাওঁ। মহাপুৰুষে হাস্যৰসৰ সৃষ্টি কৰো বুলি কৰা নাই। উদ্দেশ্য-আগতেই কোৱা দৰে ভক্তি ধৰ্মৰ মাহাত্ম্য প্ৰচাৰ। এই হাস্যৰস তেখেতৰ লেখাত দুটা মাধ্যমৰ মাজেৰে প্ৰকাশ পাইছে—এটা সুনিপুণ বৰ্ণনাৰ প্ৰকাশ ভঙ্গী আৰু আনটো হ'ল চৰিত্ৰ সৃষ্টি। বৰ্ণনা আৰু চৰিত্ৰ সৃষ্টিৰ মাজেৰে মহাপুৰুষৰ ৰচনাত ক'ত কেনে ধৰণে হাস্যৰসৰ সৃষ্টি হৈছে তাক তলত চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

ভাগৱত পুৰাণ আৰু হৰিবংশৰপৰা সমল চয়ন কৰি মহাপুৰুষে ৰচনা কৰা পুৰণি কাব্য সমূহৰ ভিতৰত সকলো ফালৰপৰা শ্ৰেষ্ঠ আৰু সৰ্বাধিক জনপ্ৰিয় হ'ল 'ৰুক্মিণী হৰণ' কাব্য। এই কাব্য মহাপুৰুষৰ কবি প্ৰতিভাৰ অন্যতম নিদৰ্শন। কাব্যখনত মহাপুৰুষে বীৰ, কৰুণ, ৰৌদ্ৰ ৰসৰ লগতে কোনো কোনো ঠাইত বিশেষকৈ মহাদেৱ আৰু বেদনিধিক লৈ একাধিক ঠাইত হাস্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। কাব্যখনৰ দৰে 'ৰুক্মিণী হৰণ' নাটখনিতো তেখেতে হাস্য-ৰসৰপৰা ফালৰি কাটি যোৱা নাই। নাটখনিত ৰুক্মিণীৰ কথা মতে বেদনিধিয়ে দ্বাৰকালৈ গৈ পুনঃ কৃষ্ণৰ সৈতে কুণ্ডিল নগৰলৈ উভতি আহোঁতে ৰথৰ তীব্ৰগতি সহিব নোৱাৰি কি বিলৈ বিপত্তি হৈছিল তাৰ বৰ্ণনা মহাপুৰুষে সুন্দৰভাৱে দাঙি

ধৰিছে। ৰথৰ ওপৰত মূৰ্চ্ছা গৈ বেদনিধিয়ে কৃষ্ণক সুধিছিল "হে ৰাপু তোহো কে ? হামু কোন ? কি নিমিত্ত এথা আৱল থিক ?" কৃষ্ণই সকলো বিৱৰি কোৱাত বেদনিধিয়ে কিছু সুস্থ হৈ পুনৰ কৈছিল "হা বাপ বৰ্ত্তলু বৰ্ত্তলু, হামু ক্ষণেকে মৰি যাঞো, তোহাক নিমিত্ত পুনু উপজল।" বেদনিধিৰ এই বিলৈৰ বৰ্ণনা সঁচাকৈ অতি সুন্দৰ আৰু হাস্যকৰ। কাব্যখনিৰ মধ্যাংশত ৰুক্মিণীৰ অপূৰ্ব ৰূপ যৌৱন দেখি স্বয়ম্বৰত উপস্থিত থকা ৰজা-মহাৰজাসকল আত্মবিস্মৃত হোৱা আৰু ঢলি ঢলি পৰা দৃশ্যৰ বৰ্ণনা নিসন্দেহে অতি হাস্যকৰ। আকৌ কাব্যখনৰ শেষৰ ফালে কৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহ মণ্ডপত উপস্থিত থাকি বিয়াত যৌতুক উছৰ্গা কৰিব নোৱাৰি মহাদেৱে বিবাহ মণ্ডপৰপৰা অন্তৰ্দ্ধান হোৱাৰ বিৱৰণত হাঁহিৰ সমল নিহিত আছে। বিবাহ প্ৰসঙ্গত 'জগতৰে বৰ দিয়া আপুনি নঙঠা'— বুলি মহাপুৰুষে মহাদেৱক লৈ হাস্যৰসৰ সৃষ্টি কৰিছে।

ভাগৱত অষ্টম স্কন্ধৰ মূকলি ভাঙনি 'অমৃত মন্থন' কাব্যখনিতো মহাপুৰুষে মহাদেৱক লৈ কিছু হাস্য ৰসৰ সৃষ্টি কৰিছে। 'ৰুক্মিণী হৰণ' কাব্যখনিৰ দৰে ইয়াতো মহাদেৱে অপদস্থ হৈ শেষত দেৱাসুৰৰ সমাজৰপৰা 'উঠি পলাইলন্ত ভিৰি লৰৰি।' আকৌ সাগৰ মন্থন কৰি অমৃত উলিওৱাৰ আশাৰে দেৱাসুৰে মন্দৰ পৰ্বত উভালি ধৰাধৰি কৰি দাঙি নিয়া সময়ত কাৰোবাৰ হাত ভৰি ভাঙি আধামৰা আধা জীয়া হৈ থকা, আৰু কোনো কোনোৱে ভাগৱত মূৰ্চ্ছা যোৱা আদি বৰ্ণনাও অতি হাস্যকৰ।

জীৱনৰ আগবয়সত মহাপুৰুষে 'মাৰ্কণ্ডেয় পুৰাণ, চাই 'হৰিশ্চন্দ্ৰ উপাখ্যান' ৰচনা কৰে। দেখা যায় এই কাব্য খনিতো মহাপুৰুষে কাব্যৰ আন আন ৰসৰ লগতে হাস্যৰসৰো সমাৱেশ ঘটাইছে। কাব্যখনত মূল চৰিত্ৰ হৰিশ্চন্দ্ৰৰ স্বৰ্গ গমনৰ পিচত মহাপুৰুষে বশিষ্ঠ আৰু বিশ্বামিত্ৰ ঋষিৰ এখন হাস্যপূৰ্ণ যুদ্ধৰ বৰ্ণনা দাঙি ধৰিছে। এই যুদ্ধৰ বৰ্ণনা এহাতে যেনেকৈ ঋষিসুলভ, আনহাতে তেনেকৈ বৰ হাস্যপূৰ্ণ। যুদ্ধত ঋষি দুজনাই 'প্ৰথমতে দণ্ড, কমণ্ডলু, চৰৱী আদিৰে মৰামৰি কৰি শেষত সেইবোৰ ভাঙি পৰাত বিশ্বামিত্ৰই 'বগলী' আৰু বশিষ্ঠই 'শৰালি' হৈ যুদ্ধত অৱতৰণ কৰে। আকৌ, হৰিচন্দ্ৰৰ পত্নী শৈব্যা, পুত্ৰ ৰোহিতাশ্বক কিনি নিয়া বুঢ়া বামুণৰ চৰিত্ৰ অতি হাস্যকৰ ভাৱে অঙ্কিত কৰিছে। বুঢ়া বামুণৰ চিত্ৰ অঙ্কন কৰিছে এইদৰে,—

"এক বৃদ্ধ ব্ৰাহ্মণ আসিল্ল হেন শুনি।
জকমক দশন মাটিত লুটে ভুণি ।।
চৰাচৰ জকমক কৰৈ সবে কেশ।
পাচোণ্ডা একুচি কৰি চান্ত লাস বেশ ।।'

ব্ৰাহ্মণৰ ঘৰত অতিকৈ চেনেহৰ সুকুমাৰী ভাৰ্য্যা মাত্ৰ। নিজৰ জীৱনটোতকৈও বেছি মৰমৰ বাবে ব্ৰাহ্মণৰ ভয় — কাম কৰিলে জানোচা ভাৰ্যাই দুখেই পায়। গতিকে ঘৰত কাম বন কৰা এজনী দাসী নহলেই নোহোৱাত পৰিছে,—

"একেখানি ভাৰ্য্যা মোৰ আতি সুকুমাৰী।
প্ৰাণ সম আহ্মাৰ প্ৰথম বিহা নাৰী ।।
কৰ্ম্ম কৰিবাক দেখো দুখ পাইবে ভৰে।
পানী আনি আপুনি ৰন্ধান কৰো ঘৰে ।।"

ভাগৱতৰ অষ্টম স্কন্ধৰ শেষৰ অধ্যায় আৰু বামণ পুৰাণৰ সহায়ত ৰচনা কৰা 'বলিছলন' কাব্যখনিৰো কোনো কোনো ঠাইত হাস্যৰসৰ ছিটিকনি পৰিছে। মহাপুৰুষে ইয়াত হাস্যৰস বৰ্ণনাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। কাব্যখনত দৈত্যসকলৰ ভয়ত দেৱতাসকলে যাযাবৰৰ দৰে গোটেই পৃথিবীত পলাই ফুৰে। দৈত্যৰ চৰৰ হাতত ধৰা পৰাৰ ভয়ত কেতিয়াবা হাবিত, কেতিয়াবা গুহা আদিত সোমাই থাকে। তাতো যে তেওঁলোক নিৰাপদ তাক ভাবিবই নোৱাৰে। আচম্বিতে কেতিয়াবা দূৰত গছৰ মুঢ়া বা পৰি থকা শিল এচটাকে দৈত্যৰ চৰ বুলি ভাবি আগ-পাছ নাচাই দেৱতাসকলে 'লৰৰ দেই ভিৰি'। ৰাতিৰ এন্ধাৰৰ মাজে মাজে কোনোৰে সন্ন্যাসীৰ বেশত নগৰ গাওঁবোৰত ভিক্ষা কৰি এসাজ খাই তিনিসাজ লঘোনে থাকে। নিশাৰ চৰায়েও যদি কিবা শব্দ কৰে ভয়ত তেওঁলোকে বিষ্ণুৰ নাম স্মৰণ কৰি কৰযোৰে দৈত্যৰপৰা হাত সৰাৰ উপায় বিচাৰে। কোনোবাই 'কোন' বুলি সুধিলেই মোনা ঝোলা সকলো পেলাই দৌৰ মাৰে। এই দৰে থাকি থাকি দেৱতাৰ চেহেৰা গুচি দেৱতাসকল কুৰূপ নৰকঙ্কাল সদৃশ হৈ পৰে।

'বলিছলন' কাব্যখনিৰ দৰে কীৰ্ত্তনৰ 'হৰমোহন' খণ্ডতো দৈত্যসকলক অমৃত পানৰপৰা বিৰত ৰাখিবলৈ অপূৰ্ব ৰূপ-যৌৱন সম্পন্না স্ত্ৰীৰূপ ধৰি বিষ্ণুই দৈত্যসকলৰ লগতে 'হৰ'ক কাম-বাণেৰে মোহিত কৰি পিছে পিছে দৌৰিবলৈ বাধ্য কৰোৱা দৃশ্য, উলঙ্গ অৱস্থাত হৰে বৃক্ষকেই সাৱটি ধৰি চুমা খোৱাৰ দৃশ্য আদি মহাপুৰুষে অতি হাস্যকৰ ভাবে চিত্ৰিত কৰিছে :—

'স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আঙ্কোৱালি।
দেখিয়া হাসন্ত নাৰীৰূপে বনমালি।।
অনন্তৰে হৰে চক্ষু মেলি চাইলা পাছে।
দেখন্ত নুহিকৈ কন্যা ধৰি আছে গাছে।। ৫৬৫
তাক এৰি সুন্দৰীক খেদন্ত দুনাই।
যেন মত্ত হস্তী–হস্তিনীক খেদি যাই।।
লাগ নেদি ৰমণীয়ো পলান্ত লৰৰি।
মহাবেগে শঙ্কৰে খেদন্ত ভৰি ভৰি।।' ৫৬৬

মহাপুৰুষৰ গদ্য সাহিত্যৰ ভিতৰত 'ৰুক্মিণী হৰণ' নাট খনিৰ দৰে 'পাৰিজাত হৰণ' নাট খনিতো বীৰ ৰসৰ প্ৰাধান্যৰ লগতে নাৰদ আৰু ইন্দ্ৰ চৰিত্ৰ দুটিৰ মাজেৰে কোনো কোনো ঠাইত হাস্যৰস সৃষ্টি কৰা হৈছে। নাৰদ চৰিত্ৰৰ প্ৰত্যেকটো কাৰ্য্যৰ অন্তৰালত হাঁহিৰ খোৰাক নিহিত আছে। সেয়ে ইন্দ্ৰ চৰিত্ৰটিৰ 'অয়ে সত্যভামে, ওহি শ্ৰীকৃষ্ণক যত পতনী থিক, তহেক মধ্যে তুহু বৰি প্ৰচণ্ড প্ৰগল্ভা, ইহা হামো জানলো। কি নিমিত্তে হামাক অতয়ে নিন্দা কদৰ্থনা কৰহ? দেখো, ওহি কৌটি কৌটি ব্ৰহ্মাণ্ডেশ্বৰ ব্ৰহ্মা মহেশ সেৱিত পাদ পঙ্কজ জগতৰ গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ তাহেত হামু যুদ্ধ হাৰল। ইহাত কোন লাজ থিক।'—বুলি লাজ ঢাকিবৰ চেষ্টা কৰা সংলাপেও যিকোনো দৰ্শকৰ হাঁহিৰ খোৰাক যোগাব পাৰে। ইয়াৰ উপৰিও সত্যভমা আৰু শচী চৰিত্ৰ দুটিৰ উক্তিতো সময়ে সময়ে হাস্যৰসৰ সমল পোৱা পোৱা যায়। যথা, সত্যভামা: 'তোহোকে স্বামী ইন্দ্ৰক কথা কহিতে

খ্রিনেসে উপজে। দেখো অমৰাৱতীক যত নটী তোহাক স্বামীক সে নাহি আটল।' শচী ঃ 'অয়ে সত্যভামা, তোহাৰি স্বামী মাধৱক কথা হাম্ সব জানি। ওহি গোপী বৈ টান গোপাল। উনিকৰ আগু গোকুলক স্ত্রী নাহি ৰহল। দেখো কংসক দাসী কুব্জী তাহেক হাত এৰাৱল নাহি..।' নকলেও হব, এনে ধৰণৰ গালি শপনিৰ সংলাপ-বোৰ যদিও মূলতঃ বীভৎস ৰসৰ অন্তৰ্গত তথাপিও ই গ্ৰাম্য লোক দৰ্শনৰ মাজত হাস্যৰসৰ সৃষ্টি নকৰাকৈ থকা নাই।

এইদৰে দেখা যায়, মহাপুৰুষৰ আটাইবোৰ ৰচনাত কম বেছি পৰিমাণে হাস্যৰস সুন্দৰভাৱে ফুটি উঠিছে।

— × —

# প্ৰবন্ধ

## বিহগী কবি ৺ৰঘুনাথ চৌধাৰী ঃ শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি

জন্ম ঃ ১৮৭৯ চন

মৃত্যু ঃ ১৮ নবেম্বৰ, ১৯৬৭ চন

'কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ দবদী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি'

সমালোচনাৰ তুলাচালনীত প্ৰকৃতি-প্ৰীতিৰ এনেকুৱা নিদৰ্শন সমসাময়িক আন কোনো অসমীয়া কবিৰ কবিতাত ধৰা দিছিল নে নাই নেজানোঁ; কিন্তু খিজনাৰ কাপৰ আগেৰে এনেকুৱা নিৰ্মল দৰদ আৰু নিবিড় আত্মীয়তা নিগৰি পৰিছিল সেয়া হ'ল আমাৰ সকলোৰে পৰিচিত অতি আদৰৰ অতি চেনেহৰ বিহগী কবি ককা ৺ৰঘুনাথ চৌধাৰীদেৱ। শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ গৈ মনত পৰিছে বিহগী কবিজনাৰ বিহঙ্গ-প্ৰীতিৰ প্ৰাঞ্জল স্বাক্ষৰ বহন কৰা কবিতাৰাজিৰ দুটি এটি স্তৱকলৈ ঃ

'ক'ৰ পৰা তই আহিলি সোণাই
কোন দেশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলই ঘূৰি ঘূৰি ? (কেতেকী)

'গোৱাহে এবাৰ মোৰ প্ৰিয়-বিহঙ্গিনী !
শুনিলে অমিয়া মাত,
হৃদয় পৱিত্ৰ শান্ত,
ললিত মধুৰ স্বৰে জীৱন তোষিণী,
গোৱাহে এবাৰ মোৰ প্ৰিয়-বিহঙ্গিনী !
( গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী )

অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা
কোন মূৰ্চ্ছনাত বাজে তোৰ দোতাৰা
মিলন মাধুৰী লই
আহিছ সাদৰী অই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা
পদূলিতে আছে ৰ'ই গুলঞ্চ কতৰা !
( দহিকতৰা )

বিহঙ্গ-প্ৰীতিৰ এনে হিলদল ভঙা প্ৰাচুৰ্য্যেৰে চহকী কৰাই জীৱনৰ বিয়লি বেলিকা কৈছিল ঃ কেতেকী আৰু দহিকতৰা এই দুয়োটাই মোৰ অত্যন্ত প্ৰিয়। কিন্তু এই বুঢ়া বয়সত দহিকতৰা মোৰ বেছি প্ৰিয়। বিচমিল্লাখান অথবা তানচেনৰ সঙ্গীতৰ সুৰতকৈও সেয়া যেন বেছি মধুৰ, বেছি অন্তৰ্স্পৰ্শী।" আই ঐ দেহি! ইমান দৰদ ইমান আত্মীয়তাৰে কেইজন কবিয়ে বা প্ৰকৃতিক ভাল পাব পাৰিছে ? কবি চৌধাৰী দেৱ আজি এক স্মৃতি। কিন্তু এই স্মৃতি—মনৰ মণি কোঠাত আলফুলে সাঁচি থব পৰা এক চিৰযুগমীয়া স্মৃতি ফুলৰ সুবাসৰ দৰে মিঠা, গোলাপৰ সৌন্দৰ্য্যৰ দৰে অনুপম আৰু বসন্তৰ কেতেকীৰ দৰে প্ৰাণোদ্দীপক। এইজনা মহান কবিৰ শতবাৰ্ষিকী উপলক্ষে তেখেতৰ স্বৰ্গগত আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে আমি জ্ঞাপন কৰিছোঁ আমাৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি।

—★—

# এটি সাক্ষাৎকাৰ : ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ সৈতে

অসমৰ প্ৰথিতযশা কণ্ঠ শিল্পী, প্ৰাক্তন অধ্যক্ষ আৰু বৰ্ত্তমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ ৰীডাৰ ডঃ বীৰেন্দ্ৰ নাথ দত্ত দেৱক 'ৰুৱাহৰ জ্যোতি' সম্পাদনা সমিতিৰ তৰফৰপৰা লগ ধৰা হৈছিল বৰগীত, জ্যোতি সঙ্গীত আৰু আধুনিক গীতৰ সন্দৰ্ভত কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি। আমাৰ আশা আৰু বিশ্বাস, এই শিতানত প্ৰকাশ কৰা তেখেতৰ সুচিন্তিত অভিমত সমূহে উদীয়মান শিল্পীসকলৰ উপকাৰ সধাৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ মনত এই সঙ্গীত সমূহৰ সন্দৰ্ভত সততে উদয় হোৱা কিছুমান খোকোজ্জা আঁতৰ কৰিব পাৰিব। অতি আন্তৰিকতাৰে নিজৰ ব্যস্ততাৰ মাজতো সময়ৰ সুৰুঙা উলিয়াই আমাৰ প্ৰশ্ন কেইটাৰ যথোচিত উত্তৰ দি আমাক উৎসাহিত কৰা বাবে তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ

ডঃ দত্তলৈ আমাৰ প্ৰশ্ন :

(১) বৰগীত আৰু জ্যোতি সঙ্গীতৰ বিজ্ঞান সন্মত চৰ্চা অসমত যথোপযুক্ত ভাৱে হৈছেনে ? যদি হোৱা নাই, কেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি ভাবে ?

(২) উজনি আৰু নামনি অসমত মহাপুৰুষদ্বয়ৰ কিছুমান বৰগীত ভিন্নসুৰত গোৱা হয়। এই সুৰ ভিন্নতাৰ কাৰণ কি ? এই সুৰ-ভিন্নতাৰ সমন্বয় সাধন কৰি বৰগীতক সৰ্বভাৰতীয় সঙ্গীত হিচাবে প্ৰচাৰ কৰা প্ৰসঙ্গত আপোনাৰ অভিমত জনাবনে ?

(৩) জ্যোতিসঙ্গীতৰ এল্. পি. ৰেকৰ্ড এখন আজি কিছুদিন আগতে বজাৰত ওলাইছে। অভিযোগ উঠিছে, দুটি এটি গীতৰ সুৰ জ্যোতি প্ৰসাদৰ সুৰৰ লগত মিলা নাই। অভিযোগটো কিমান দূৰ সত্য ? তাৰোপৰি অনাতাঁৰ কেন্দ্ৰৰ যোগেদি পৰিৱেশন কৰা কিছুমান শিল্পীৰ জ্যোতি সঙ্গীতৰ সুৰৰ মূল সুৰৰ লগত অমিল থকা বুলিও অভিযোগ শুনা যায়। এই অভিযোগটোও কিমান দূৰ সত্য ? এই সন্দৰ্ভত আপোনাক সুধিব খোজোঁ, ৰবীন্দ্ৰ সঙ্গীতৰ সুৰৰ শুদ্ধতাক ৰক্ষণা বেক্ষণ দিয়াৰ যেনে ব্যৱস্থা কৰা হৈছে. জ্যোতি সঙ্গীতৰ ক্ষেত্ৰত তেনে ব্যৱস্থা লোৱাত কিবা অসুবিধা আছে নেকি ?

(৪) বৰ্তমান অসমীয়া আধুনিক গীতৰ ওপৰত হিন্দী গীতৰ প্ৰভাৱ অতি স্পষ্ট—যাৰ ফলত

অসমীয়া গীতৰ স্বকীয় মাধুৰ্য ভালেখিনি হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। হিন্দী গীতৰ সুৰৰ পৰিৱৰ্তে থলুৱা লোক সঙ্গীতৰ সুৰৰ সহায় লৈ অসমীয়া গীতৰ সুৰ ৰচনা কৰা সন্দৰ্ভত আপোনাৰ মতামত কি ?

(৫) আপুনি কোন কোন গীতিকাৰৰ গীত গাই ভাল পায়, আৰু কি কাৰণে ভাল পায় ? আপোনাৰ আটাইতকৈ প্ৰিয় আধুনিক গীত কোনটো ?

**ডঃ দত্তৰ উত্তৰ ঃ**

(১)+(২) প্ৰথমতে বৰগীতৰ কথা লোৱা যক। 'যথোপযুক্তভাবে' 'বিজ্ঞান· সন্মত' চৰ্চা হৈছে বুলি দাবী কৰিব নোৱাৰিলেও এইটো ঠিক যে সম্প্ৰতি শুদ্ধভাবে বৰগীত শিকাৰ আৰু গোৱাৰ আগ্ৰহ যথেষ্ট দেখা গৈছে। বহুতো নিষ্ঠাবান শিল্পী (নামী, অনামী) এতিয়া বৰগীতৰ চৰ্চাত লাগিছে—ইয়াক শুভ লক্ষণ বুলি ক'ব লাগিব। অৱশ্যে বৰগীতৰ বিজ্ঞানসন্মত চৰ্চাৰ বাটত কিছুমান অসুবিধা আছেঃ পৰম্পৰাগতভাবে সত্ৰসমূহত স্বৰ-জ্ঞান, স্বৰস্থান আদিৰ শিক্ষাৰ ব্যৱস্থা নথকাত আৰু ৰাগৰ ৰূপ আদিৰ সম্পৰ্কে অকল স্মৃতি-শক্তিৰ ওপৰতে নিৰ্ভৰ কৰা ব্যৱস্থা থকাত নিষ্ঠাবান শিক্ষাৰ্থীও আহুকালত পৰে। তাৰ উপৰি সত্ৰই সত্ৰই ৰাগ আৰু তালৰ বিভিন্নতাই কিছু বিভ্ৰান্তিৰ সৃষ্টি কৰে। তথাপি কিছুদিনৰপৰা নতুন দৃষ্টি ভঙ্গীৰে শুদ্ধৰূপ ৰক্ষা কৰি বৰগীত অনুশীলন কৰাৰ প্ৰবণতা আহিছে আৰু সোনকালে এইক্ষেত্ৰত অধিক বলিষ্ঠ পদক্ষেপ পৰাৰ সম্ভাৱনা দেখা গৈছে। ইতিপূৰ্বে "স্বৰৰেখাত বৰগীত," "Rhythm in the Vaishnava Music of Assam" আদি গ্ৰন্থত গৱেষণালব্ধ তথ্য আৰু স্বৰলিপি সন্নিবিষ্ট হৈছে। সম্প্ৰতি তেনেকুৱা আৰু কাম চলি আছে বুলি জানো। এইবোৰ প্ৰকাশিত হ'লে শুদ্ধ চৰ্চাৰ পথ সুগম হ'ব। নৱ প্ৰতিষ্ঠিত চৰকাৰী সঙ্গীত মহাবিদ্যালয়েও এই ক্ষেত্ৰত বিশেষ দায়িত্ব পালন কৰিব বুলি আশা কৰা যায়।

জ্যোতি সঙ্গীতৰ ক্ষেত্ৰত অসুবিধা এয়ে যে ইয়াৰ প্ৰামাণ্যতা সম্পৰ্কে কৰ্তৃত্বপ্ৰাপ্ত কোনো প্ৰতিষ্ঠান নাই। জ্যোতিপ্ৰসাদৰ নিজৰ তত্ত্বাৱধানত ৰেকৰ্ড হোৱা জ্যোতিসঙ্গীতৰ সংখ্যা অতি কম; আৰু, অতি কম সংখ্যক জ্যোতিসঙ্গীতৰহে স্বীকৃত স্বৰলিপি প্ৰকাশ হৈছে। ফলত 'বিজ্ঞানসন্মতভাবে' জ্যোতিসঙ্গীতৰ অনুশীলন কৰোঁ বুলিলেও প্ৰামাণ্য সমলৰ অভাৱ। জ্যোতিপ্ৰসাদৰপৰা পোনে পোনে গীত শিকা শিল্পীৰ সংখ্যাও এতিয়া অতি কম। আৰু জ্যোতিপ্ৰসাদৰ সকলো গীতৰ সুৰ সম্পূৰ্ণ-ভাবে জনা শিল্পীও বোধহয় এতিয়া নাই। এনেস্থলত যিবোৰ গীতৰ সুৰ সম্পৰ্কে সন্দেহ নাই সেইবোৰত বাদে আনবোৰৰ ক্ষেত্ৰত যেয়ে যিখিনি জানে তাকে গোটাই লৈ জ্যোতিপ্ৰসাদৰ সুৰ-সংযোজনা আৰু গায়ন-শৈলীৰ বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি যথাসম্ভৱ প্ৰামাণ্যতা নিৰ্দ্ধাৰণ কৰিব লাগিব। এই কাম জ্যোতিভাৰতীৰ মাধ্যমেৰে হ'ব পাৰে। সুৰ সম্পৰ্কে নিশ্চিত হোৱা গীতবোৰৰ স্বৰলিপি প্ৰকাশ হ'লে খেলিমেলি ভালেখিনি আঁতৰিব।

(৩) জ্যোতিসঙ্গীতৰ এল, পি ৰেকৰ্ডৰ সুৰৰ বিশুদ্ধতাৰ সন্দৰ্ভত ওপৰত কোৱা কথাখিনিৰ

প্ৰাসঙ্গিকতা আছে। ৰেকৰ্ডখনৰ সম্পৰ্কে অন্ততঃ এইখিনিতো নিঃসন্দেহে ক'ব পাৰি যে ই জ্যোতি সঙ্গীতক মৰ্যাদাসহকাৰে প্ৰতিষ্ঠা কৰাৰ দিশত এটা সাহসী পদক্ষেপ। প্ৰামাণ্য স্বৰলিপিৰ অভাৱত সুৰ অশুদ্ধ বুলি সন্দেহ হ'লেও তাক প্ৰমাণ কৰা এক ৰকম অসম্ভৱ। তাৰ উপৰি জ্যোতিপ্ৰসাদে নিজেও যে কেতিয়াবা শিল্পীভেদে বা অৱস্থাভেদে একেটা গীতৰে সুৰ সামান্য ইফাল সিফাল কৰি গোওৱা নাছিল, তেনেকৈ ক'ব নোৱাৰি। একেটা গীতকে জ্যোতিপ্ৰসাদৰপৰা শিকা একাধিক শিল্পীয়ে একাধিক ৰূপ আৰু ভঙ্গীত গোৱা শুনিছোঁ। গতিকে সুস্বীকৃত আৰু কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিষ্ঠান আৰু শুদ্ধ স্বৰলিপিৰ প্ৰকাশ—এই দুটা নোহোৱালৈকে কিছু বিভ্ৰান্তি থাকিবই। মোৰ নিজৰ ধাৰণা ; ৰেকৰ্ডখনত আনুষঙ্গিক সঙ্গীত ঠায়ে ঠায়ে প্ৰয়োজনতকৈ অধিক আধুনিক আৰু উচ্চ ধ্বনিৰ হ'ল।

ৰবীন্দ্ৰ সঙ্গীতৰ কথা সুকীয়া। ৰবীন্দ্ৰ নাথৰ প্ৰায় তিনি হেজাৰ গানৰ প্ৰায় প্ৰত্যেকটোৰে স্বৰলিপি আছে আৰু গীতসমূহৰ শুদ্ধতা সম্পৰ্কে বিশ্বভাৰতী সঙ্গীত পৰিষদৰ কৰ্তৃত্ব আছে। তথাপি তাতো বিতৰ্ক হয়। দুজন বেলেগ স্বৰলিপিকাৰৰ স্বৰলিপি বেলেগ হৈছে ; দুটা সংস্কৰণত একেগীতৰ স্বৰলিপি বেলেগ বেলেগ ধৰণে প্ৰকাশিত হৈছে ; গায়নশৈলীত প্ৰচুৰ ভিন্নতা আছে ; একালৰ বহুবন্দিত ৰবীন্দ্ৰসঙ্গীত-শিল্পী অৰাবীন্দ্ৰিক বুলি নিন্দিতও হৈছে। প্ৰকৃততে স্বৰলিপিত গানৰ কংকালহে থাকে, তাত প্ৰাণ দিয়ে শিল্পীয়ে। শিল্পীৰ সূক্ষ্ম চেতনা আৰু গীত স্ৰষ্টাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু নিষ্ঠাইহে গীতৰ মৰ্যাদা আৰু সৌন্দৰ্য ধৰি ৰাখিব পাৰে, সি ৰবীন্দ্ৰ সঙ্গীতেই হওক, জ্যোতিসঙ্গীতেই হওক।

(৪) আধুনিক গীতৰ কোনো ধৰা-বন্ধা ৰূপ নাই—তাত বিভিন্ন ধৰণৰ প্ৰভাৱ পৰিবই। বিশেষকৈ অতি ব্যাপকভাৱে জনপ্ৰিয় হিন্দী চিনেমাৰ গীতৰ প্ৰভাৱ পৰাত আচৰিত হ'ব লগা একো নাই। সকলোৰে হতুৱাই জোৰ কৰি অসমীয়া সুৰীয়া গীত গোওৱা সম্ভৱ বা উচিত বুলিও মই নাভাবোঁ। অসমীয়া সুৰীয়া বেয়া গীতো বেয়া। যদি থলুৱা সুৰৰ ভিত্তিত ৰচনা কৰা কিছু কিছু ৰসোত্তীৰ্ণ গীত মাজে মাজে ওলাই থাকে সিও বহুত।

(৫) মোৰ আটাইতকৈ প্ৰিয় গীতিকাৰ কবি নৱকান্ত বৰুৱা। মোৰ আটাইতকৈ প্ৰিয় গীত বোলোঁতে যদি মই নিজে সুৰ দি গোৱা গীতকে বুজোৱা হৈছে, তেনেহলে ক'ম—"আকাশ আমাক অকণি আকাশ দিয়া।" সেয়াও নৱকান্ত বৰুৱাৰে ৰচনা।

স্বাঃ—বীৰেন্দ্ৰ নাথ দত্ত।

১৬।৮।৮০

## হকী যাদুকৰ ধ্যানচাঁদ : এটি শ্ৰদ্ধাঞ্জলি

"In the chorus of tributes paid to his memory the one common strain is that the only way of cherishing his memory is to win back the Olympic title. May be this will please him. But greater pleasure will come to him if only Indian took good care of sportsmen who after sweating it out have retired owing to age and infirmity. The nation's conscience must be roused by heroic example of wizard who suffered in silence." ( K. Sundar Rajan – The Sportstar. )

হকী যাদুকৰ ধ্যানচাঁদ আমাৰ মাজত আৰু নাই। এই মহান খেলুৱৈ জনৰ জীৱন অৱসানৰ লগে লগে ভাৰতীয় হকীৰ এটি স্বৰ্ণ যুগৰ পৰিসমাপ্তি ঘটিল। সেই যুগটি হয়তো থাকিব ইতিহাসৰ পাতত এটি মধুৰ স্মৃতি হিচাপে। কাৰণ অধঃপতিত হোৱা ভাৰতীয় হকীয়ে ধ্যানচাঁদৰ যুগটিক পুনৰুদ্ধাৰ কৰা অতি সন্দেহজনক।

হকী যাদুকৰ ধ্যানচাঁদে ১৯০৫ চনত এলাহবাদত জন্ম গ্ৰহণ কৰিছিল। পূৰ্বপুৰুষৰ দৃষ্টান্ত অনুকৰণ কৰি তেওঁ সামৰিক বাহিনীত যোগদান কৰে। প্ৰথমে সাধাৰণ সৈনিক হিচাপে Brahmin Regiment ত যোগদান কৰে। ইংৰাজ চৰকাৰে উক্ত Regiment টো উঠাই দিয়াত ধ্যানচাঁদ 2/24 Punjab Regiment লৈকে বদলি হয়। ১৯৩৪ চনত ধ্যানচাঁদে Viceroy's commission লৈকে পদোন্নতি পায়। ১৯৪৩ চনত King's commission officer হয়। ১৯৫৬ চনত স্বাধীন চৰকাৰে তেওঁক 'পদ্মভূষণ' উপাধি প্ৰদান কৰে।

ধ্যানচাঁদে হকীৰ প্ৰাথমিক শিক্ষা লাভ কৰে সৈন্য বাহিনীত। ঝান্সি হিৰোজ্ দলৰ সদস্য হিচাপে তেওঁ খেল আৰম্ভ কৰে আৰু স্বকীয় দক্ষতাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাত সফল হয়। ফলত ১৯২৮ চনৰ অলিম্পিকত অবিভক্ত ভাৰতৰ হকী দলৰ অপৰিহাৰ্য সদস্য অন্তৰ্ভুক্ত হয়। তাৰপিচত ১৯৩২ আৰু ১৯৩৬ চনৰ অলিম্পিকত যোগদান কৰে। এই তিনিওটা অলিম্পিকত ভাৰতীয় দলে স্বৰ্ণ পদক লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰে। ১৯৪০ চনৰ অলিম্পিক ২য় বিশ্বযুদ্ধৰ বাবে অনুষ্ঠিত নহ'ল। সেয়ে

একেৰাহে চতুৰ্থবাৰ স্বৰ্ণ পদক লাভ কৰাৰ নজিৰ ভাৰতে স্থাপন কৰিব নোৱাৰিলে। ১৯৩২ চনৰ অলিম্পিকত ধ্যানচাঁদে তেওঁৰ ভাতৃ ৰূপ সিংহৰ সহযোগত অনবদ্য খেল প্ৰদৰ্শন কৰি ১৯ টি গোল দিয়ে। ১৯৩৬ চনৰ বাৰ্লিন অলিম্পিকত ভাৰতৰ ফাইনেল খেল হৈছিল জাৰ্মানীৰ লগত। ভাৰতীয় দলৰ শিল্পসুলভ খেলক প্ৰতিৰোধ কৰিব নোৱাৰি জাৰ্মান দলে অন্যায় আৰু জোৰ জবৰদস্তি খেলৰ আশ্ৰয় লৈছিল। জাৰ্মানীৰ অন্যায় আক্ৰমণৰ ফলত ধ্যানচাঁদৰ এটি দাঁত ভাঙিছিল। তথাপিও জাৰ্মান দল ভাৰতীয় দলৰ হাতত ৮-১ গোলত পৰাজিত হয়। আঠটি গোলৰ ভিতৰত ধ্যানচাঁদে অকলেই ছয়টি গোল দিয়ে। ধ্যানচাঁদৰ ষ্টিকৰ শিল্পসুলভ সৌন্দৰ্যই ইউৰোপীয় ক্ৰীড়ামোদী সমাজক চমকৃত আৰু মোহিত কৰিছিল। আনকি বহু পশ্চিমীয়া ৰমণীয়ে ধ্যানচাঁদৰ সান্নিধ্য লাভৰ কাৰণে আকুল হৈ পৰিছিল। খেল পথাৰত হকীৰ যাদুকৰজন আছিল কিন্তু লাজুক। ১৯৩৫ চনত ভাৰতীয় হকী দলে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰে। ভাৰতীয় দলৰ ৪৫ খন খেলত ধ্যানচাঁদে দিয়া গোলৰ সংখ্যা আছিল ২০১ টা।

হকী খেল আছিল ধ্যানচাঁদৰ ৰক্তৰ লগত জড়িত। খেলৰ কৌশল আছিল তেওঁৰ নিজস্ব। গতি, ষ্টিকৰ শৈল্পীক কৌশল আৰু dribling ত তেওঁ আছিল অতুলনীয়। বিপক্ষ দলৰ মজবুত ৰক্ষণবেহু ভঙাৰ ক্ষেত্ৰত ধ্যানচাঁদে অকল শক্তি আৰু গতিৰ ওপৰত নিৰ্ভৰ নকৰি, সৌন্দৰ্য আৰু মহিমামণ্ডিত খেলেৰে অগ্ৰসৰ হবলৈ চেষ্টা কৰিছিল। সমগ্ৰ খেলতেই তেওঁ আছিল কেন্দ্ৰ বিন্দু। তথাপিও তেওঁক ব্যক্তিকেন্দ্ৰীক খেলুৱৈ বুলি কোনোৱে সমালোচনা কৰা নাছিল। নিজৰ লগতে সমগ্ৰ দলটিকে খেলাবলৈ তেওঁ আছিল সততে যত্নপৰ। গোল দিয়াৰ ক্ষেত্ৰত ধ্যানচাঁদে কেতিয়াও দৰ্শকৰ প্ৰংশসাত ভ'াহি যোৱা নাছিল। বিশ্বৰ নমস্য মহান ক্ৰিকেটাৰ ব্ৰেড্‌মেনে শতবাণ পূৰ্ণ কৰাৰ পিচত দ্বিতীয় শতৰাণৰ বাবে যেনেকৈ নতুন প্ৰস্তুতি চলাইছিল, ঠিক সেইদৰে ধ্যানচাঁদেও এটি গোল দিয়াৰ পিচত দ্বিতীয় গোলটিৰ বাবে নব প্ৰচেষ্টা চলাইছিল। Post goal ritual আছিল তেওঁৰ ধাৰণাত অবান্তৰ আৰু দলৰ কাৰণে ক্ষতিকাৰক। এইখিনিতে আমি তেওঁক এজন কালজয়ী অলিম্পিয়ান হিচাপে ভুষিত কৰিব পাৰোঁ।

১৯৫৬ চনৰ ৰোম অলিম্পিকৰ পিচত ভাৰতীয় হকীৰ মৰ্যাদা বিশ্বদৰবাত ভুলুন্ঠিত হয়। সেয়ে হকীৰ মৰ্যাদা আৰু গৌৰৱ পুনৰুদ্ধাৰৰ বাবে কোচ্ ( Coach ) হিচাবে ধ্যান চাঁদক মাতি অনা হয়। দুৰ্ভাগ্যবশতঃ,—এই দায়িত্বত তেওঁ বিশেষ কৃতকাৰ্য হব নোৱাৰিলে। আচলতে ধ্যানচাঁদৰ হকীকৌশল আছিল সম্পূৰ্ণ নিজস্ব আৰু সেই কৌশলক মন আৰু বুদ্ধিৰ সংযোগত তেওঁ উচ্চস্তৰলৈ তুলি নিব পাৰিছিল। সেয়েহে তেওঁ নিজস্ব কৌশলক stereotyped কৰি ৰাজহুৱা ভাবে বিতৰণ কৰিব নোৱাৰিলে। সেই কাৰণে হয়তো আজিও বিশ্বহকীত দ্বিতীয় ধ্যানচাঁদৰ জন্ম হোৱা নাই। সকলো খেলৰ কৌশল ( tech-nique ) খেলুৱৈৰ নিজস্ব বুদ্ধিমত্তাৰদ্বাৰাহে মহিমামণ্ডিত কৰিব পাৰি। ব্ৰেড্‌মেন আৰু ধ্যানচাঁদে ক্ৰমে ক্ৰিকেট আৰু হকী খেলৰ ওপৰত

দুখন কিতাপ লিখিছে। দুয়োজনে এটা সিদ্ধান্তত উপনীত হৈছে যে, technique ক কেতিয়াও ধৰ্মীয় বাণীৰ নিচিনা অনুকৰণ কৰিব নোৱাৰি। কাৰণ technique বা কৌশল সম্পূৰ্ণ খেলুৱৈৰ বুদ্ধি আৰু মনৰ সফল সংযোগৰ পৰিণতি।

ভাবিলে দুখ লাগে যিজনা খেলুৱৈ ভাৰতীয় হকীৰ গৌৰৱ আৰু মৰ্যাদা বিশ্বদৰবাৰত তুলি ধৰিছিল, সেইজনা ব্যক্তিয়ে কিন্তু জীৱন-জীৱিকাৰ সংগ্ৰামত পৰাজিত হৈছিল। আৰ্থিক অভাৱত তেওঁ ভাল চিকিৎসা নেপালে। হস্পিতেলত ভৰ্তি হোৱাৰ সময়ত তেওঁৰ হাত আছিল তেনেই উদং। জীৱনৰ অন্তিম পৰ্যায়লৈকে হকী যাদুকৰ জনৰ জীৱন বচাবলৈ বিশেষ সক্ৰিয় প্ৰচেষ্টা নহ'ল। শ্ৰেণী বিভক্ত সমাজত ধ্যানচাঁদৰ নিচিনা মানুহে কেতিয়াও উপযুক্ত মৰ্যাদা পাব নোৱাৰে। তেওঁৰ নিচিনা বহুতো নামী আৰু দামী খেলুৱৈৰ জীৱনৰ শোকাবহ পৰিণতি আমাৰ সমাজত ঘটিয়ে আছে। অৱশ্যে ধ্যানচাঁদৰ স্মৃতিত সৰ্বস্তৰৰ ভাৰতীয় মানুহে শ্ৰদ্ধাঞ্জলি জনাবলৈ পাহৰা নাই। এতিয়া তেওঁৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ একমাত্ৰ মাধ্যম হব ভাৰতীয় হকীৰ হৃত গৌৰৱ বিশ্বদৰবাৰত পুনৰ প্ৰতিষ্ঠা কৰা আৰু জীৱন আৰু জীৱিকাৰ সংগ্ৰামত হাৰি যোৱা নামী আৰু দামী খেলুৱৈসকলক আৰ্থিক সাহাযাৰ ব্যৱস্থা কৰা।

## '৮০ ৰ মস্কো অলিম্পিক : হকীত ভাৰতৰ স্বৰ্ণপদক :

১৯৮০ চনৰ মস্কো অলিম্পিক ৰাজনৈতিক বা-মাৰলীত পৰা স্বত্বেও সুকলমে অতিবাহিত হয়। আফগানিস্তানৰ প্ৰশ্নক কেন্দ্ৰ কৰি আমেৰিকাৰ নেতৃত্বত বিশ্বৰ কেবাখনো আগশাৰীৰ দেশে এইবাৰ মস্কো অলিম্পিক বৰ্জন কৰাৰ ফলত হকী খেলেই আটাইতকৈ ক্ষতিগ্ৰস্ত হয়। কোৱা বাহুলা, পাকিস্তান, হলেণ্ড, পশ্চিম জাৰ্মানী আৰু অষ্ট্ৰেলিয়াই মস্কো অলিম্পিক বৰ্জন কৰাৰ ফলতে অলিম্পিকৰ হকী খেলৰ আকৰ্ষণ এইবাৰ ভালেখিনি কমি গৈছিল। তথাপিও হকীত ভাৰতৰ স্বৰ্ণপদক লাভ এটি উদ্দীপনাৰ বাতৰি এই কাৰণেই যে ১৬ বছৰ পিচত ভাৰতে অলিম্পিকৰ হৃত গৌৰৱ উদ্ধাৰ কৰে ইউৰোপীয় চেম্পিয়ন স্পেইনক ৪-৩ গোলত পৰাস্ত কৰি। আমি ভাস্কৰণৰ নেতৃত্বত উদীয়মান ভাৰতীয় হকী দলটোক শুভেচ্ছা জনালোঁ।

× ×

# বেডমিণ্টনৰ বিশ্ব চেম্পিয়ন প্ৰকাশ পাডুকন

বিশ্বৰ খেল জগতত ভাৰতৰ সাফল্য বিশেষকৈ ব্যক্তিগত দিশত উল্লেখনীয় নহয়। কিন্তু এই ব্যৰ্থতাৰ মাজত বেডমিণ্টনত প্ৰকাশ পাডুকনৰ সাফল্য অন্ধকাৰৰ মাজত আলোৰ জিলিকনি। যোৱা বছৰ চেপ্তেম্বৰ মাহত লণ্ডনত অনুষ্ঠিত হোৱা বিশ্ব ওপেন মাষ্টাৰ বেডমিণ্টনত প্ৰকাশ পাডুকনে চূড়ান্ত খেলত জয়লাভ কৰি বিশ্ব চেম্পিয়ন হোৱাৰ গৌৰৱ আৰু লগতে তিনিহেজাৰ পাউণ্ড পুৰস্কাৰ লাভ কৰে।

প্ৰকাশৰ জন্ম হয় ১৯৫৫ চনৰ ১০ জুনত কৰ্ণাটকৰ ৰাজধানী বাঙ্গালোৰত। সাত বছৰ বয়সৰপৰা তেওঁ বেডমিণ্টনৰ ৰেকেট্ হাতত লৈছিল। ১৯৬৯ চনৰপৰা তেওঁ প্ৰতিযোগিতামূলক খেলত অংশ গ্ৰহণ কৰিবলৈ ধৰে। ১৯৭০ চনত জাতীয় প্ৰতিযোগিতাত প্ৰকাশে ল'ৰাৰ বিভাগৰ চিঙ্গেলচত চেম্পিয়ন হয়। ১৯৭১ চনত প্ৰকাশে ভাৰতৰ বেডমিণ্টনত নতুন নজিৰ সৃষ্টি কৰি ল'ৰা আৰু পুৰুষ বিভাগত চেম্পিয়নশ্বিপ্ লাভ কৰে। সেই সময়ত তেওঁৰ বয়স মাত্ৰ ১৫ বছৰ। ১৯৭১ চনৰপৰা ১৯৭৯ চনলৈ একেৰাহে আঠবাৰ জাতীয় চেম্পিয়ন হয়। ১৯৭৪ চনত তেহৰাণত অনুষ্ঠিত হোৱা এচীয় ক্ৰীড়া প্ৰতিযোগিতাত প্ৰকাশে ব্ৰোঞ্জ পদক লাভ কৰে। প্ৰকাশে প্ৰথম আন্তৰ্জাতিক সাফল্য লাভ কৰে এড্মণ্টন কমনৱেলথ্ ক্ৰীড়া প্ৰতিযোগিতাত। সেই প্ৰতিযোগিতাত তেওঁ ভাৰতৰ হৈ সোণৰ পদক লাভ কৰে। তাৰ পিচৰ সাফল্য হ'ল – ওপৰত উল্লেখ কৰা লণ্ডনৰ ওপেন মাষ্টাৰ বেডমিণ্টন বিশ্ব খিতাপ। এই প্ৰতিযোগিতাত প্ৰকাশে লাভ কৰা তিনিহেজাৰ পাউণ্ড ভাৰতীয় বেডমিণ্টন সন্থালৈ দান দিয়ে। নিঃসন্দেহে, বেডমিণ্টন জগতৰ শ্ৰেষ্ঠ বীৰ প্ৰকাশৰ এয়া মহানুভৱতাৰ উজ্বল নিদৰ্শন।

বৰ্ত্তমান প্ৰকাশ বাঙ্গালোৰৰ Union Bank of India ৰ এজন অফিচাৰ। কমনৱেলথ্ গেমছ্ৰ সাফল্যৰ পিচত তেওঁক Develop Section ৰ two grade লৈ প্ৰমোচন দিয়া হৈছে। আমি প্ৰকাশৰ উজ্বলতৰ ভৱিষ্যত কামনা কৰিছোঁ।

# সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ বিয়ণ বৰগ্।

"Patience is the necessary ingredient of genius" Disraeli

বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বৰ্ণাঢ্যময়, সম্ভ্ৰান্তময় আৰু গৌৰৱময় ইংলেণ্ডৰ উইম্বলডন টেনিচ প্ৰতিযোগিতাত চেম্পিয়নশ্বিপ্ লাভ কৰা সকলো টেনিচ তাৰকাৰে দুৰ্বাৰ আকাংখ্যা। কিন্তু সেই আকাংখ্যাক এবাৰ নহয়, দুবাৰ নহয়, একেবাৰে পঞ্চমবাৰৰ বাবে বাস্তৱত ৰূপায়িত কৰি অসামান্য নজিৰ প্ৰতিষ্ঠা কৰিছে চুইডেনৰ চব্বিশ বছৰীয়া বিস্ময় বালক বিয়ণ বৰগে। উইম্বলডনে হয়তো বৰ্গৰ আৰু নতুন নজিৰৰ বাবে অপেক্ষা কৰি আছে। বৰ্গৰ সৃষ্ট নজিৰ ভবিষ্যতে বিশ্বৰ কোনো টেনিচ তাৰকাই ভঙ্গ কৰিব বুলি আশা কৰাতো দুৰাকাংখ্যাৰ সমপৰ্য্যায়ৰ হ'ব বুলি বিজ্ঞ ক্ৰীড়া সমালোচক—সকলে মন্তব্য কৰিছে।


চুইডিচ ভাষাত 'বৰগ্' শব্দৰ অৰ্থ হ'ল ভালুক। আচৰিত কথা যে ভালুকৰ স্বভাৱৰ লগত বৰ্গৰ স্বভাৱৰ যথেষ্ট সাদৃশ্য আছে। ভালুকৰ নিচিনা বৰ্গে অকলে থাকিব আৰু অকলে শুই থাকিব ভাল পায়। মানুহৰ নাড়ী স্পন্দন মিনিটত ৭০ ৰ বিপৰীতে ভালুকৰ নাড়ীৰ স্পন্দনৰ নিচিনা বৰ্গৰ নাড়ী স্পন্দন মিনিটত মাত্ৰ ৩৫। ভালুক স্বভাৱত শান্ত প্ৰাণী মাত্ৰ আক্ৰমণৰ সময়তহে সি ভয়ঙ্কৰ হয়। বৰ্গও সেইদৰে শান্ত। সেয়ে তেওঁক খেলত "বৰফৰ মানুহ" বুলি কোৱা হয়। কিন্তু কোৰ্টত শত্ৰুৱে আক্ৰমণ কৰিলে বৰ্গ হৈ উঠে বিৰাট ভয়ঙ্কৰ। তাৰ প্ৰমাণ ১৯৮০ চনৰ উইম্বডনৰ ফাইনেল খেল। দুটি চেটত পৰাজিত হৈ তৃতীয় চেটত পিচপৰি থাকিও অসাধাৰণ দক্ষতা আৰু আবেগ বিহীন ভাবে আমেৰিকাৰ তৰুণ প্ৰতিভাবান খেলুৱৈ জ'ন ম্যাকন্ৰোক পৰাজিত কৰে। অকল সেয়ে নহয়। ইয়াৰ আগতে ১৯৭৬ চনৰপৰা উইম্বলডন ফাইনেলত বৰ্গে পৰাজিত কৰিছে বিশ্ব টেনিছৰ শ্ৰেষ্ঠ ৰথী মহাৰথী সকলক যেনে ইলি ন্যাচ্তাচ্, জিমি কোনৰ্স (দুবাৰ), ট্যানাৰ। এই সকলো খেলুৱৈয়ে বৰ্গৰ শাৰীৰিক সক্ষমতা, ধৈৰ্য্য, অনন্য সাধাৰণ মনসংযোগ আৰু চৰম দুৰ্যোগ মুহূৰ্ত্ততো আবেগহীন ভাবে স্থিৰ থকা সংগ্ৰামী মানসিকতাক উচ্চ প্ৰশংসা কৰিছে। এই সকলোবোৰ গুণাৱলীৰ অসাধাৰণ সংযোগত বৰগ্ হৈ পৰিছে বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ। সেয়ে বিশ্ব টেনিচৰ বৰ্ণাঢ্যময় আৰু বিতৰ্কমূলক তাৰকা ইলি ন্যাচতাচে কৈছে—"They should send Borg to another planet. We play tenis. He plays something else." চুইডেনৰ সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰা বৰ্গ বৰ্ত্তমান বিশ্বৰ অন্যতম সম্পদশালী খেলুৱৈ।

# ভিভিয়ান ৰিচাৰ্ড'চ

যিজন বেটচমেনে সকলো শ্ৰেষ্ঠ বোলাৰৰ মুৰ কামোৰণিৰ সৃষ্টি কৰে, যিজনৰ বেটৰ আগত বল লাগিলে কামানৰ গুলিৰ দৰে বল বাউণ্ডেৰীলৈ দৌৰ মাৰে, যিজনৰ উইকেট পতন হ'লে বিপক্ষৰ সকলো খেলুৱৈ আনন্দত আত্মহাৰা হয়, যিজনৰ উইকেট সকলো বোলাৰৰ বাবে ঈশ্বৰ প্ৰদত্ত উপহাৰৰ দৰে, সেইজন হ'ল ওৱেষ্ট ইণ্ডিজৰ ভিভিয়ান ৰিচাৰ্ডচ—সৰ্বকালৰ শ্ৰেষ্ঠ বেটচমেন সকলৰ এজন। ৰিচাৰ্ডচৰ টাইমিং নিখুঁত আৰু বলৰ গতি বুজাত অসাধাৰণ দক্ষতা। বেটিং কৰাত তেওঁৰ একমাত্ৰ লক্ষ্য হ'ল বোলিঙক আক্ৰমণ কাৰ—'বেটৰ ধৰ্মই হ'ল বলক শাস্তি দিয়া।'

১৯৭৬ চনত ওৱেষ্ট ইণ্ডিজে ইংলেণ্ড ভ্ৰমণ কৰে। সেই চিৰিজত ৰিচাৰ্ডচৰ বেটৰপৰা নিজৰাৰ দৰে ৰাণ ওলাইছিল। চাৰিটা টেষ্টত তেওঁ ৰাণ কৰে ৮২৯। আহত থকা বাবে এটা টেষ্ট খেলিব নোৱাৰিলে। খেলিলে হয়তো এটি চিৰিজত ব্ৰেড্‌মেনে কৰা ৯৭৪ ৰাণৰ বিশ্বৰেকৰ্ডটি অক্ষত নেথাকিলেহেঁতেন। সেই চিৰিজৰ ওভাল'ৰ পঞ্চম টেষ্টত ৰিচাৰ্ড'চ বোল্ড হৈছিল ২৯১ ৰাণত। ফাষ্ট বোলিঙক আক্ৰমণ কৰা তেজ, সাহস আৰু মানসিকতাৰে ৰিচাৰ্ডচ ভৰপূৰ। সম্ভৱ দশকত ৰিচাৰ্ডচৰ নিচিনা বিশ্বৰ কোনো বেটচমেনে ফাষ্ট বোলিঙক শাস্তি দিব পৰা নাছিল। ১৯৭৭ চনৰ ওৱেষ্ট ইণ্ডিজ আৰু পাকিস্তান চিৰিজত কিন্তু ৰিচাৰ্ড'চে ইমাৰন-সফৰবাজ জুটিৰ সন্মুখত সফল হব নোৱাৰিলে। তথাপি ফাষ্ট আৰু স্পিন বোলিঙৰ বিৰুদ্ধে ভিভিয়ান ৰিচাৰ্ড'চ এজন বিপদ-জনক ষ্ট্ৰোক প্লেয়াৰ। খেলত অতিৰিক্ত মনোযোগিতা ৰিচাৰ্ড'চে বিলাসিতা বুলি গণ্য কৰে। ষ্টাইলত স্বতন্ত্ৰ, মেজাজত সম্ৰাট আৰু টেকনিক্‌ত অত্যা-ধুনিক এই বেটচমেন জনৰ কাৰণে শতাধিক ৰাণ কৰাতো সাধাৰণ কথা। মুঠতে, বৰ্ত্তমান বিশ্ব ইতিহাসত ভিভিয়ান ৰিচাৰ্ড'চ স্বভাৱ সুলভ প্ৰতিভা আৰু অতুলনীয় যোগ্যতাৰে পৰিপুষ্ট এজন স্বনাম-ধন্য ক্ৰিকেটাৰ। ১৯৭৯-৮০ চনৰ অষ্ট্ৰেলিয়া চিৰিজটো বাদ দি ৰিচাৰ্ড'চৰ সেঞ্চুৰী হ'ল আঠটা। তাৰ ভিতৰত ভাৰতৰ বিৰুদ্ধে ৪ টা, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ১ টা আৰু ইংলেণ্ডৰ বিৰুদ্ধে ৩ টা।

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি ( ১৯৭৮-৭৯ ) ।



বহি—( বাওঁফালৰ পৰা ) ঃ ব্ৰজেন্দ্ৰ নাথ তালুকদাৰ ( সাধাৰণ সম্পাদক ), অধ্যাপক দিলীপ দাস ( তত্বাৱধায়ক, আলোচনী ), অধ্যাপক দ্বিজেন দাস ( তত্বাৱধায়ক, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক দেবেন শৰ্মা ( তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক বসন্ত দত্ত ( উপ-সভাপতি ), অধ্যাপক দীনেশ শৰ্মা ( তত্বাৱধায়ক—তৰ্ক, আলোচনা চক্ৰ ), অধ্যাপক মদন কাকতি ( তত্বাৱধায়ক, ক্ৰীড়া বিভাগ ), মিনা দুৱৰা ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ) ।

থিয় হৈ—( বাওঁফালৰ পৰা ) ঃ নবমোহন ৰায় সৰকাৰ ( সম্পাদক, 'জৱাহৰ জ্যোতি' ); যতীন বৰা ( সম্পাদক, সঙ্গীত বিভাগ ), খনীন্দ্ৰ মোহন বাড়া ( সম্পাদক-ছাত্ৰ জিৰণি কোঠা ), অৰুণ চন্দ্ৰ কলিতা ( সম্পাদক, সমাজ সেৱা বিভাগ ), বনমালী দাস ( সম্পাদক-তৰ্ক আলোচনা চক্ৰ ), কৰ্ণভূষণ বাড়া ( সম্পাদক, ক্ৰীড়া বিভাগ ), হাচমৎ আলি ( চৌকিদাৰ ) ।

[ অনুপস্থিত থকা বাবে সমিতিৰ আন কেইগৰাকীমান সদস্য ফটোত নাই ]

# ছাত্র একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যিসকল ছাত্ৰ ছাত্ৰীৰ দৃঢ় বিশ্বাস আৰু মৰমৰ বান্ধোনত বৰো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নিচিনা এখনি পবিত্ৰ শিক্ষানুষ্ঠানৰ ১৯৭৮-৭৯ চনৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধাকণ পালোঁ আৰু লগতে অধ্যক্ষ আৰু অধ্যাপকবৃন্দৰ বহুমূলীয়া উপদেশেৰে এই কাম কৰি যাবলৈ সাহস পালোঁ তাৰ বাবে আটাইলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰি প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

১৯৭৮ চনৰ ডিচেম্বৰ মাহৰ ১৮ তাৰিখৰপৰা ২২ ডিচেম্বৰলৈ বিভিন্ন কাৰ্যক্ৰমণিকাৰে উলহ মালহেৰে বছৰেকীয়া 'মহাবিদ্যালয় সপ্তাহ' উদ্‌-যাপন কৰা হয়। ১৮ ডিচেম্বৰৰ ৰাতিপুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে মহাবিদ্যালয়ৰ নিজস্ব পতাকা উত্তোলন কৰি "মহাবিদ্যালয় সপ্তাহ"ৰ শুভ উদ্বোধন কৰে। "মহাবিদ্যালয়ৰ সপ্তাহ" উৎসৱটিত মহাবিদ্যালয়ৰ খেল পথাৰত বছৰেকীয়া ক্ৰীড়া প্ৰতিযোগিতা, মহাবিদ্যালয় ভৱনত সাংস্কৃতিক প্ৰতিযোগিতা, তৰ্ক, আকস্মিক বক্তৃতা, কুইজ আৰু আলোচনা চক্ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা সমূহত প্ৰতাযাগীৰ সংখ্যা যথেষ্ট আছিল আৰু প্ৰতিযোগিতাৰ মানদণ্ড উচ্চ খাপৰ আছিল। সাংস্কৃতিক প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত থাকি বিচাৰ কাৰ্য সুকলমে চলাই নিয়া বাবে শ্ৰীবীৰেন বাঠ আৰু শ্ৰীভোলা দাসলৈ এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সামৰণি উৎসৱৰ দিনা মহাবিদ্যালয়ৰ অধ্যক্ষদেৱৰ পৌৰহিত্যত মুকলি সভা আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য অতিথি হিচাপে শোভাবৰ্দ্ধন কৰে অসম বিধান সভাৰ বৰো সমষ্টিৰ বিধায়ক শ্ৰীউমেশ চন্দ্ৰ দাস আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী দেৱে। এই দুয়োজনা মহান ব্যক্তিৰ উপস্থিতি আৰু সাৰুৱা ভাষণৰ বাবে মহাবিদ্যালয়ৰ ফালৰপৰা তেখেতসকলৰ শলাগ লৈছোঁ।

এই উৎসৱটিৰ উপৰিও বিদ্যাৰ অধিষ্ঠাত্ৰী শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা আনবাৰৰ দৰে মহা-সমাৰোহেৰে উদ্‌যাপন কৰা হয়। তদুপৰি দ্বিতীয় বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীবৃন্দকো আনুষ্ঠানিক ভাৱে মহাবিদ্যালয়ৰ তৰফৰপৰা বিদায় সম্ভাষণ জনোৱা হয়।

**নৱাগত আদৰণি সভা :**

এইবেলি নৱাগত আদৰণি সভাখন ১৯৭৯ চনৰ চেপ্তেম্বৰ মাহৰ ২৫ তাৰিখে পতাৰ সিদ্ধান্ত আছিল যদিও অসমবাসীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা প্ৰতীক ধৰ্ম-ঘটৰ বাবে সেই দিনটো বাতিল কৰি ২১ তাৰিখে সাধাৰণ ভাবে পতা হয়। সেয়ে সেইদিনাৰ সভাত পূৰ্বে নিমন্ত্ৰণ কৰা মুখ্য অতিথি আৰু

নিৰ্দ্দিষ্ট বক্তা'ৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সভাপতি আৰু স্থানীয় সমাজ কৰ্ম্মী তথা স্বাধীনতা সংগ্ৰামৰ যোদ্ধা শ্ৰীনবীন চন্দ্ৰ কলিতা দেৱে মুখ্য অতিথিৰ আসন অলঙ্কৃত কৰি সভাৰ কাম পৰিচালনা কৰে।

## নতুন বিষয়ত শিক্ষাদান ঃ

মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰু নতুন বিষয় খোলাৰ সম্পৰ্কে ১৯৭৯ চনৰ ৫ জানুৱাৰীত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সৰ্ব সন্মতি ক্ৰমে বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত গৃহীত হৈছিল যদিও মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা হেতুকে উক্ত সিদ্ধান্ত বৰ্জন কৰা হয় আৰু চৰকাৰৰ ১৯৭৯ চনৰ আগষ্ট মাহৰ ১৯ তাৰিখৰ অনুমোদন সাপেক্ষে ভূগোল, শিক্ষা আৰু নৃতত্ত্ব বিষয়ত ১৯৭৯ চনৰ অক্টোবৰ মাহৰ ২২ তাৰিখৰপৰা পাঠদান কৰা হয়।

## অভাৱ অভিযোগ ঃ

যদিও বয়সৰ ফালৰপৰা এই মহাবিদ্যালয় গুনিয়ে যৌৱনৰ দুৱাৰদলিত ভৰি দিছেহি তথাপি বহুখিনি অভাৱে ইয়াক যৌৱনৰ ৰহন দিব পৰা নাই। পিছ পৰা জনজাতীয় অঞ্চলত অৱস্থিত মহাবিদ্যালয় হিচাপে আজিকোপতি ই বিজ্ঞান শাখাৰে পূৰ্ণাংগ মহাবিদ্যালয় হৈ নুঠাটো অতি পৰিতাপৰ কথা। যদিও এই বছৰৰ অক্টোবৰ মাহৰ পৰা ভূগোল, শিক্ষা আৰু নৃতত্ত্ব বিষয় তিনিটিত পাঠদানৰ ব্যৱস্থা কৰা হৈছে তথাপি শ্ৰেণী চলাবৰ বাবে উপযুক্ত কোঠালিৰ অভাৱৰ বাবে পাঠদান আৰু গ্ৰহণত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। নতুন বিষয় তিনিটিত পাঠদান কৰাৰ অনুমতি দিয়াৰ বাবে চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় এখনত ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি কোঠাৰ উপযুক্ত ব্যৱস্থা নোহোৱাটো দুখৰ কথা। যিখিনি সুবিধা আছে সেয়া নিশ্চয় যথোপযুক্ত নহয়। সঙ্গীত সাধনাৰ বাবে যদিও সীমিত বাদ্যযন্ত্ৰ আছে তথাপি সেইবোৰৰ চৰ্চাৰ বাবে উপযুক্ত কোঠা আৰু নাট্যামোদী ছাত্ৰ-ছাত্ৰীৰ বাবে স্থায়ী মঞ্চৰে সৈতে প্ৰেক্ষাগৃহ নোহোৱাত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ আশা সময়ত মনতে বাদ দিব লগা হয়। তদুপৰি পুথিভঁৰাল উন্নীতকৰণ লগতে পুস্তক ভাণ্ডাৰত অধিক কিতাপ যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। ওপৰত উল্লেখিত অভাৱবোৰ পূৰণৰ বাবে কৰ্তৃপক্ষৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

## ভ্ৰাম্যমান থিয়েটাৰ নিমন্ত্ৰণ ঃ

ছাত্ৰ একতা সভাৰ পুঁজি টনকিয়াল নোহোৱা হেতু ছাত্ৰ একতা সভাৰ সাহায্যাৰ্থে অক্টোবৰ মাহৰ ১৯ তাৰিখৰ পৰা ২২ তাৰিখলৈ চাৰি নিশাৰ বাবে ভ্ৰাম্যমান 'নটৰাজ থিয়েটাৰ' দলৰ দ্বাৰা নাট প্ৰদৰ্শন কৰি ছাত্ৰ একতা সভাৰ পুঁজিলৈ শকত পৰিমাণৰ ধন সংগ্ৰহ কৰা হয়।

অসমত বিদেশী নাগৰিকৰ ধাৰাবাহিক প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত আজি ১০ মাহে সদৌ অসম ছাত্ৰ সন্থাই সদৌ অসমৰ ৰাইজক সাঙুৰি লৈ যি এক অভুতপূৰ্ব গণ আন্দোলনৰ সূচনা কৰিলে সি অতুলনীয়। ইয়াৰ ফলত অসমৰ সৰ্বমুঠ ২৬ লাখ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্য পুথি অধ্যয়নৰ পৰা বিৰত থকাৰ লগতে শিক্ষানুষ্ঠানৰ পৰা আঁতৰত থাকি সমাজৰ মাজত সোমাই পৰিবলগীয়া হৈছে।

যিহেতু সাম্প্ৰতিক আন্দোলনটো অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ, অসমত অসমীয়া জাতিৰ অস্তিত্ব জীয়াই ৰখাৰ আন্দোলন সেয়ে ছাত্ৰ-ছাত্ৰীসকলে ৰাইজক লগত লৈ 'সংকল্পবদ্ধ' হৈছে যে বিদেশী নাগৰিকক অসমৰপৰা বহিষ্কাৰ নকৰালৈ আত্মবলি-দান দি হলেও আন্দোলন চলাই যাব।

অন্তত, জ্ঞাত-অজ্ঞাত ভুল ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা খুজিছোঁ। লগতে ভাৰতীয় নাগৰিক হিচাপে, অসমীৰ সুযোগ্য সন্তান হিচাপে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ শৈক্ষিক দিশৰ সাময়িক ক্ষতি স্বীকাৰ কৰিও জাতিক জীয়াই ৰাখিবলৈ কৰা প্ৰচেষ্টাক মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰি "জৱাহৰ জ্যোতিৰ" দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়
**শ্ৰীব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ।**
সাধাৰণ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ কাৰণে সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও যিসকল বন্ধু বান্ধৱীৰ সহায় সহানুভূতি আৰু উৎসাহ উদ্দীপনা পাই বিভাগীয় কামকাজবোৰ নিয়াৰিকৈ পৰিচালনা কৰিবলৈ সক্ষম হৈছোঁ। তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শাৰীৰিক বা মানসিক পৰিশ্ৰম কৰি যেতিয়া মানুহে ভাগৰি পৰে তেতিয়া প্ৰয়োজন হয় জিৰণি লোৱাৰ। ক্ষন্তেকীয়া জিৰণিৰ মাজেৰে পৰিশ্ৰান্ত দেহত পুনঃ জাগি উঠে নতুন কৰ্ম প্ৰেৰণা। সেই হেতুকে আমাৰ ছাত্ৰসকলৰ ক্লাচ কৰাৰ পিচত আজৰি সময়খিনি কটাই দিবৰ কাৰণে এটি সুকীয়া জিৰণি কোঠাৰ একান্ত প্ৰয়োজন। কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ কাৰণে আজিলৈকে এটা সু-ব্যৱস্থাৰ জিৰণি কোঠা হৈ উঠা নাই। যিটো ছাত্ৰ জিৰণি কোঠা আছে সি নামতহে। তাত প্ৰয়োজনীয় সুবিধাখিনিৰ বাৰুকৈয়ে অভাৱ। অৱশ্যে কৰ্তৃপক্ষই জিৰণি কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰী সমূহ যোগান ধৰিব পৰা নাই যদিও সীমিত অৰ্থৰ মাজেৰে কেৰমবৰ্ড, বেড্-মিণ্টন্ আদৰি যোগান ধৰিছে।